# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 18-05-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

১। ৰাজ্য চৰকাৰ আৰু বিনিয়োগকাৰীৰ মাজত ২২ হাজাৰ ৮৯৯ কোটি টকাৰ চুক্তি বিনিময় সম্পন্ন।

২। বিশ্বৰ ভিন্ন দেশত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ বাৰ্তা বিলাবলৈ সাজু হোৱা সাংসদৰ সৰ্বদলীয় প্ৰতিনিধি দলত অসমৰ সাংসদ ভূবনেশ্বৰ কলিতা আৰু প্ৰদান বৰুৱা অন্তৰ্ভুক্ত।

৩। ৰাজ্যৰ বড়ো বসতিপ্ৰধান অঞ্চলসমূহত বড়ো মাধ্যম দিৱস উদযাপন।

৪। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাঁথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি প্ৰাক্তন সেনা বিষয়া কৰ্ণেল বেণুধৰ শইকীয়াৰ অভিমত।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক জয়ৰ বাবে পাঞ্জাব কিংছৰ ২২০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি ২২ হাজাৰ ৮৯৯ কোটি টকাৰ ঔদ্যোগিক বিনিয়োগৰ বুজাবুজিৰ চুক্তিপত্ৰ বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। এই বিনিয়োগৰ দ্বাৰা ৰাজ্যত প্ৰায় ছহেজাৰ নতুন নিয়োগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্যত উদ্যোগীকৰণৰ লক্ষ্যৰে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হৈছিল আৰু এই সংস্কৰণতে ৫ লাখ ১৮ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল। আজিৰ অনুষ্ঠানত ২০ টা প্ৰকল্পৰ বিনিয়োগৰ চুক্তি পত্ৰৰো বিনিময় হয়। ইয়াৰে তিনিটা ইথানল প্ৰকল্পৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। দুহেজাৰ ৮০০ কোটি টকাৰে তিনিটা চিমেণ্ট প্ৰস্তুত প্ৰকল্পৰো কাম আৰম্ভ হৈছে। অসমত প্ৰথমটো পাম ষ্টৰেজৰ বাবেও নিপকোৰ সৈতে চুক্তিত স্বাক্ষৰ হৈছে। চুক্তি স্বাক্ষৰিত হোৱা বহুকেইটা উদ্যোগ এইবছৰৰ শেষৰফালে মুকলি হ'ব। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণে ৰাজ্যৰ যুৱক-যুৱতীসকলক কেনেদৰে আগুৱাই নিছে, সেইবিষয়ে ড° শৰ্মাই ভাষণত এনেদৰে উল্লেখ কৰে।

-বাইট-

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণ কৰি ৰিং ৰোডৰ আধাৰশিলা স্থাপন কৰিব। এই ৰিং ৰোডৰ নিৰ্মাণ ব্যয় প্ৰায় ৭ হাজাৰ ৮০০ কোটি টকা। অনুষ্ঠানটোত ভাগ লৈ উদ্যোগ মন্ত্ৰী বিমল বৰাই কয়, যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণে অসমৰ ঔদ্যোগিক ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছে। ইয়াৰ দ্বাৰা অসমৰ নৱ প্ৰজন্ম আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ পথ মুকলি হ'ব। দেশে-বিদেশে অসমৰ ঔদ্যোগিক বাৰ্তা প্ৰেৰণ কৰিবলৈ এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণে সহায় কৰিলে। মন্ত্ৰীগৰাকীয়ে লগতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ অধীনত ৰাজ্যৰ ২৫ হাজাৰ যুৱক-যুৱতী

অন্তৰ্ভুক্ত হ'ল বুলি প্ৰকাশ কৰে। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়াৰ লগতে বিনিয়োগকাৰীসকল উপস্থিত থাকে।

০০০০০

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ বাৰ্তা বিশ্বৰ বিভিন্ন দেশত বিলাবলৈ ভাৰতৰ সাংসদৰ সৰ্বদলীয় এটা দল বিশ্বৰ ভিন্ন দেশলৈ যাবলৈ সাজু হৈছে। ৫১ জনীয়া দলটোক কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৭ টা গোটত ভাগ কৰি প্ৰতিটো গোট কোন কোন দেশলৈ যাব, তাৰ তালিকা প্ৰকাশ কৰিছে। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰা অনুসৰি ৭ টা দলক – বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডা, ৰবিশংকৰ প্ৰসাদ, জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝা, শিৱসেনাৰ সাংসদ শ্ৰীকান্ত একনাথ সিন্দে, কংগ্ৰেছ সাংসদ শশী থাৰুৰ, ডি এম কেৰ সাংসদ কানিমুঝি আৰু এন চি পি শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলেই নেতৃত্ব দিব। ৭টা গোটৰ প্ৰতিনিধি দলটোত অসমৰ দুগৰাকীকৈ সাংসদ অন্তৰ্ভুক্ত হৈছে। কংগ্ৰেছ সাংসদ শশী থাৰুৰে নেতৃত্ব দিবলগীয়া দলটোত অসমৰ সাংসদ ভুৱনেশ্বৰ কলিতা অন্তৰ্ভুক্ত হৈছে। শশী থাৰুৰ নেতৃত্বত ৯ জনীয়া এই গোটটোৱে আমেৰিকা, পানামা, গুয়ানা, ব্ৰাজিল আৰু কলম্বিয়া ভ্ৰমণ কৰিব। একেদৰে জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝায়ে নেতৃত্ব দিবলগীয়া ৯জনীয়া সাংসদৰ প্ৰতিনিধিৰ দলটোত অসমৰ বিজেপি সাংসদ প্ৰদান বৰুৱা অন্তৰ্ভুক্ত হৈছে। এই গোটটোৱে ইণ্ডোনেছিয়া, মালয়েছিয়া, কোৰিয়া গণৰাজ্য, জাপান আৰু ছিংগাপুৰ ভ্ৰমণ কৰিব। সাংসদৰ সৰ্বদলীয় দলৰ ৭টা গোটে ৩ জুনত যাত্ৰা আৰম্ভ কৰিব। ০০০০০০

এই প্ৰতিনিধি দলটোত অন্তৰ্ভুক্তি তথা যাত্ৰাৰ উদ্দেশ্যৰ বিষয়ে সাংসদ প্ৰদান বৰুৱাৰ সৈতে আকাশবাণীৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰে হোৱা টেলিফোনিক বাৰ্তালাপত সাংসদগৰাকীয়ে এনেদৰে কয় –

বাইট

০০০০০

পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চৰ উদ্যোগত বিশিষ্ট শিক্ষাবিদ উদয়াদিত্য ভড়ালীক আজি পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। গুৱাহাটী মহানগৰীৰ দক্ষিণ শৰণীয়াত আয়োজিত এটা অনুষ্ঠানত বিশিষ্ট চিন্তাবিদ ড° হীৰেণ গোহাইয়ে সতীৰ্থ মঞ্চৰহে এই বঁটা প্ৰদান কৰে। এই বঁটাত এখন চেলেং চাদৰ, গামোচা, প্ৰশস্তিপত্ৰ আৰু নগদ ধন আছে। অনুষ্ঠানত প্ৰয়াত পৰাগ কুমাৰ দাসৰ পৰিয়ালৰ লগতে সতীৰ্থ মঞ্চৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক সেনা বাহিনীৰ প্ৰাক্তন সেনা বিষয়া কৰ্ণেল বেণুধৰ শইকীয়াক। যোৰহাট বঙালপুখুৰী নিবাসী কৰ্ণেল বেণুধৰ শইকীয়াই ১৯৮০-ৰ পৰা ২০১৬ চনলৈ ৩৬ বছৰ ধৰি সেনাবাহিনীত  দেশৰ ভিন্ন প্ৰান্তত কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ কাশ্মীৰত কৰ্মৰত হৈ থাকোতে আতংকময় পৰিস্থিতিত হোৱা অভিজ্ঞতাৰ কথা আমাৰ যোৰহাটৰ সংবাদদাতাৰ আগত এনেদৰে বৰ্ণনা কৰে –

*(বাইট)*

প্ৰাক্তন সেনা বিষয়া গৰাকীয়ে আজিও দেশমাতৃৰ বাবে প্ৰাণ দিবলৈ সাজু বুলি ব্যক্ত কৰে। কাশ্মীৰৰ পেহেলগামত হোৱা সন্ত্ৰাসবাদীৰ অমানুষিক হত্যাকাণ্ডৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰৰ অপাৰেচন সিন্দুৰক উচিত প্ৰত্যুত্তৰ বুলি অভিহিত কৰি কৰ্ণেল বেণুধৰ শইকীয়াই কয়, যে এই অভিযানেৰে দেশে শক্তিৰ প্ৰমাণ দিলে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৩০ মিনিটৰ বিশেষ সংবাদ চলন্তিকাত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন গোস্বামীৰ সৈতে কথোপকথন প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

আজি ৬৩ সংখ্যক বড়ো মাধ্যম দিৱস। ৰাজ্যৰ বড়ো অধ্যুষিত বিভিন্ন প্ৰান্তত বড়ো মাধ্যম দিৱস উদযাপন কৰা হয়। **বাক্সা** জিলাৰ চাইটানগুৰিৰ জয়ভদ্ৰ আহাগজেৰ বড়ো মাধ্যম উচ্চ মাধ্যমিক বিদ্যালয়ত আজি শালবাৰী জিলা বড়ো সাহিত্য সভাৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে ৬৩ সংখ্যক বড়ো মাধ্যম দিৱস উদযাপন কৰা হয়। বড়ো মাধ্যম দিৱসত অতিথি হিচাপে উপস্থিত থাকি সাহিত্য একাডেমী বঁটা বিজয়ী সাহিত্যিক ড° অনিল বড়োৱে কয়, যে ১৯৬৩ চনৰ ১৮ মে'ৰ পৰা সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ কাৰ্যকালত কোকৰাঝাৰত বড়ো শিক্ষাৰ্থী থকা বিদ্যালয়সমূহত বড়ো মাধ্যমৰ সূচনা হৈছিল। **কোকৰাঝাৰ** জিলা বড়ো সাহিত্য সভা সমিতিয়ে কোকৰাঝাৰৰ কাৰিগাঁৱত দিনজোৰা কাৰ্যসূচীৰে বড়ো মাধ্যম দিৱস পালন কৰে। কোকৰাঝাৰ জিলা বড়ো সাহিত্য সভাৰ সভাপতি বাইজুৱেল কুমাৰ বসুমতাৰীয়ে পতাকা উত্তোলন কৰা অনুষ্ঠানটোৰ মুকলি সভাত বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰীৰ লগতে পূব কোকৰাঝাৰ সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰীয়ে অংশগ্ৰহণ কৰে। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বড়ো মাধ্যম দিৱসত শুভেচ্ছা জনায়।

০০০০০

গুৱাহাটী মহানগৰীৰ দৃশ্যপট সালসলনি কৰাৰ লগতে মহানগৰীৰ বান আৰু যান-যটৰ সমস্যাৰ সৈতে মোকাবিলা কৰাৰ উদ্দেশ্যে চৰকাৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প ৰূপায়ণৰ দিশে আগবঢ়াইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি গ্ৰহণ কৰা এই পৰিকল্পনাসমূহৰ বিষয়ে আলোচনা কৰাৰ উদ্দেশ্যে আজি আজি দিশপুৰত এখন বিশেষ সভা অনুষ্ঠিত  হয়। সভাত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা তথা বিভাগটোৰ বিষয়া, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা আৰু বিভিন্ন সংগঠনৰ প্ৰতিনিধিকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। সভাত ফাঁচিবজাৰৰ পাইকাৰী বিপনন ক্ষেত্ৰখন অধিক সুবিধাজনক তথা সুচল স্থানলৈ স্থানান্তৰ কৰা সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰী মল্লবৰুৱাই কয় যে ফাঁচীবজাৰৰ ঠেক পথ তথা অঞ্চলটোৰ আৱৰ্জনা নিষ্কাষণৰ সমস্যাৰ পৰিপ্ৰেক্ষিতত পাইকাৰী বজাৰখন সুবিধাজনক স্থানলৈ স্থানান্তৰ কৰাৰ জৰিয়তে বাণিজ্যিক উন্নয়নৰ পথ মুকলি হ'ব। এই প্ৰস্তাৱ সন্দৰ্ভত বিভিন্ন ব্যৱসায়িক সম্প্ৰদায়ৰ পৰা ইতিবাচক সহাৰি লাভ কৰা বুলি মন্ত্ৰীগৰাকীয়ে সদৰি কৰে।

০০০০০

ৰাজ্যত এখন এথলেটিক একাডেমী স্থাপন কৰা হ'ব। এথলেটিক ফেডাৰেশ্যন অৱ ইণ্ডিয়াৰ উপাধ্যক্ষ জয়ন্ত মল্ল বৰুৱাই সামাজিক মাধ্যমৰ জৰিয়তে এই কথা সদৰি কৰে। ৰাজ্যৰ প্ৰতিভাসম্পন্ন খেলুৱৈসকলৰ প্ৰগতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰ আৰু অসম এথলেটিক এছোচিয়েছনৰ উদ্যোগত এই একাডেমী স্থাপন কৰা হ'ব। শ্ৰীবৰুৱাই আজি এছোচিয়েছনৰ বিষয়াসকল, প্ৰাক্তন খেলুৱৈ তথা প্ৰশিক্ষকৰ উপৰি

স্থপতিবিদসকলৰ সৈতে সৰুসজাই অঞ্চলত উপযুক্ত স্থানৰ সন্ধানত জৰীপ চলায়। বিভিন্ন ক্ষেত্ৰত হোৱা প্ৰগতিৰ সমান্তৰালকৈ ৰাজ্যতক্ৰীড়াৰ ইতিবাচক পৰিবেশ গঢ়ি তোলাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০০

ৰাজস্থানৰ চৱাই মানসিং ষ্টেডিয়ামত আজি অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছে ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ২২০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। পাঞ্জাব কিংছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেটৰ বিনিময়ত ২১৯ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ নেহাল ৱাধেৰাই সৰ্বাধিক ৭০ ৰাণ আৰু শশান্ত সিঙে ৫৯ ৰাণ কৰি অপৰাজিত হৈ ৰয়।

প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈ ১৭ অভাৰত ৫ টা উইকেট হেৰুৱাই ১৭৯ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

প্ৰতিযোগিতাৰ আন এখন খেলত আজি দেলহী কেপিটেলছ-গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ